# সৰ্ব্ববৰ্ণৰ দশাহ অশৌচ পালন আৰু অকল হৰিনামেৰে অন্ত্যেষ্টিক্ৰিয়া সমাপন সম্পৰ্কে

শ্ৰীলশ্ৰীশ্ৰীযুক্ত আউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ সমালোচনামূলক অভিমত

প্ৰকাশক—
শ্ৰীমোহনচন্দ্ৰ মহন্ত বি-এল,
যোৰহাট।

শ্রীশ্রীগোবিন্দঃ।

# সৰ্ব্ববৰ্ণৰ দশাহ অশৌচ পালন আৰু অকল হৰিনামেৰে অন্ত্যেষ্টি ক্ৰিয়া সমাপন

সৰ্ব্ববৰ্ণৰ দশাহ অশৌচ পালন আৰু হৰি নামেৰে অন্ত্যেষ্টি ক্ৰিয়া আদি সমাপন কৰাৰ বিষয় লৈ অসমত চলি থকা আন্দোলনৰ বিষয়ে আমাৰ মতামত প্ৰকাশ কৰিবলৈ অনেকে আমাক অনুৰোধ কৰিছে। এই আন্দোলন সম্পূৰ্ণ সমৰ্থন কৰি লিখা আৰু গোলাঘাটৰ যদুমণি প্ৰেছত ছপা হোৱা, "প্ৰকাশক—গড়মূৰীয়া গোস্বামী" বুলি উল্লিখিত **দশাহ ব্যৱস্থা আৰু হৰিনাম মাহাত্ম্য** নামেৰে ৭ পৃষ্ঠাৰ ব্যৱস্থা-পত্ৰ এখনি অলপতে আমাৰ হাতত পৰিছেহি। এই ব্যৱস্থা-পত্ৰৰ সমালোচনা স্বৰূপেই আমাৰ অভিমত প্ৰকাশ কৰি তলৰ কথাখিনি লিখা হ'ল।

এই ব্যৱস্থা-পত্ৰখনিৰ প্ৰথম পৃষ্ঠাত লিখা আছে,— "গৰুড়-পুৰাণত প্ৰভু ভগৱন্তই গৰুড়ৰ আগত কোৱা বাণী আছে যে,—

সৰ্ব্বেষামেব বৰ্ণানাং সূতকে মৃতকে তথা।
দশাহাৎ শুদ্ধিৰিত্যেষঃ কলৌ শাস্ত্ৰস্য নিশ্চয়ঃ॥

অৰ্থাৎ কলিযুগত সকলো বৰ্ণৰে, সূতক (জননাশৌচ) আৰু

মৃতক (মৰণাশৌচ) দহ দিনতে শুদ্ধ হয়, এয়ে সৰ্ব্বশাস্ত্ৰ সম্মত সিদ্ধান্ত।"

উল্লিখিত বচনটি অষ্টাদশ মহাপুৰাণৰ অন্তৰ্গত গৰুড় পুৰাণত পোৱা নেযায়। ই হৈছে গৰুড়পুৰাণ-সাৰোদ্ধাৰ নামক গ্ৰন্থৰ ১৩ অধ্যায়ৰ ১৯ সংখ্যাৰ শ্লোক। কিন্তু সেই অধ্যায়ৰে ৬ সংখ্যাৰ শ্লোকত এই বুলিহে লিখা আছে :—

ব্ৰাহ্মণস্তু দশাহেন ক্ষত্ৰিয়ো দ্বাদশাহকৈঃ।
বৈশ্যঃ পঞ্চদশাহেন শূদ্ৰো মাসেন শুধ্যতি॥

অৰ্থাৎ ব্ৰাহ্মণৰ দহ দিনত, ক্ষত্ৰিয়ৰ বাৰ দিনত, বৈশ্যৰ পোন্ধৰ দিনত, শূদ্ৰৰ ত্ৰিশ দিনত অশৌচ শুদ্ধি হয়। সুধীবৃন্দই ভাবি চাওক, একেখন শাস্ত্ৰৰ একে অধ্যায়তে একে বিষয়ৰ প্ৰসঙ্গতে এনে প্ৰকাৰৰ পৰস্পৰ বিৰোধী সিদ্ধান্ত থকা সম্ভৱ নে? ই সম্পূৰ্ণ অসম্ভৱ। গতিকে গৰুড়পুৰাণ-সাৰোদ্ধাৰৰ "সৰ্ব্বেষামিতি" বচনৰ তলত লিখা অনুসৰেহে অৰ্থ কৰাটো শাস্ত্ৰসঙ্গত হব বুলি শাস্ত্ৰজ্ঞসকলে ভাবে। যেনে—"সৰ্ব্বেষামেৱ বৰ্ণানাং" (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ), "সূতকে মৃতকে তথা" (জনন আৰু মৰণাশৌচত) "দশাহাৎ শুদ্ধিৰিতি", অৰ্থাৎ দশাহকে আদি কৰি (ইতৰোৱাচ্যাৰ্থত্বাৎ) যথাক্ৰমে ১০, ১২, ১৫, ৩০ দিনত, ব্ৰাহ্মণ ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ ৬ শ্লোকত কৈ অহা অনুৰূপে শুদ্ধি হ'ব, "কলৌ শাস্ত্ৰস্য" (কলি-কালত শাস্ত্ৰৰ) "এষঃ নিশ্চয়ঃ" (এয়ে সিদ্ধান্ত)। যথাৰ্থতে এনে অৰ্থ হলেহে শাস্ত্ৰৰ সামঞ্জস্য ৰক্ষা পৰে। তদুপৰি বচনটিত "কলৌ শাস্ত্ৰস্য নিশ্চয়ঃ" এই

বুলি উল্লেখ থকাত সেই শ্লোকটি স্বয়ং অশৌচ-নিয়ামক হোৱা নাই, কলিৰ অশৌচ-নিয়ামক শাস্ত্রসমূহৰ নিশ্চয় অর্থাৎ সিদ্ধান্তকহে বুজাইছে। গতিকে অন্য শাস্ত্রই এই অশৌচ-নিয়ন্ত্রণ বিষয়ে কি কয় চোৱা যাওক।

হিন্দুধর্ম্ম আৰু সমাজক নিয়ন্ত্রণ কৰি ৰাখিছে শ্রুতি, সংহিতা, গৃহ্যসূত্র, পুৰাণ, ভাৰত, ৰামায়ণ আদি শাস্ত্রই। উক্ত সকলো ধর্ম্ম শাস্ত্রতে অশৌচ সম্পৰ্কীয় সমালোচনা পোৱা নেযায়। যি-বিলাকত পোৱা যায় সেইবিলাকে সাধাৰণ জাতীয় অশৌচ ব্রাহ্মণৰ ১০ দিন, ক্ষত্রিয়ৰ ১২ দিন, বৈশ্যৰ ১৫ দিন, শূদ্রৰ ৩০ দিনতে বিধান কৰিছে। প্রমাণ যথা—

মনুসংহিতা—শুধ্যেদ্বিপ্রো দশাহেন দ্বাদশাহেন ভূমিপঃ।
বৈশ্যঃ পঞ্চ দশাহেন শূদ্রো মাসেন শুধ্যতি॥ ৫।৮৩

বিষ্ণুসংহিতা—ব্রাহ্মণস্য সপিণ্ডাণাং জনন মৰণয়োদ্দশাহমশৌচকম।
দ্বাদশাহং ৰাজন্যস্য পঞ্চদশাহং বৈশ্যস্য মাসং
শূদ্রস্য॥ ২২ অধ্যায়।

অত্রিসংহিতা—ব্রাহ্মণো দশৰাত্রেণ দ্বাদশাহেন ভূমিপঃ।
বৈশ্যঃ পঞ্চদশাহেন শূদ্রো মাসেন শুধ্যতি। ৮২ বঃ

যাজ্ঞবল্ক্যঃ—ক্ষত্রস্য দ্বাদশ হানি বিশঃ পঞ্চদশৈব তু।
ত্রিংশদ্দিনানি শূদ্রস্য তদৰ্দ্ধং ন্যায়বৰ্ত্তিনঃ। ৩।২২

উশনঃ—দশাহং প্রাহুৰাশৌচং সপিণ্ডেষু বিপশ্চিতঃ।
মৃতেষ্বথবাথ জাতেষু ব্রাহ্মণানাং দ্বিজোত্তমাঃ॥
শুধ্যেদ্দ্বিজো দশাহেন দ্বাদশাহেন ভূপতিঃ।
বৈশ্যঃ পঞ্চ দশাহেন শূদ্রো মাসেন শুধ্যতি॥ ৬।১।৩৪

সম্বৰ্ত্তঃ—বিপ্ৰো দশাহমাশৌচ্ দানাধ্যয়ন বৰ্জ্জিতঃ।

ক্ষত্ৰিয়ো দ্বাদশাহেন বৈশ্যঃ পঞ্চদশৈবতু। ৩৮

দক্ষঃ—জাতি বিপ্ৰো দশাহেন দ্বাদশাহেন ভূমিপঃ।

বৈশ্যঃ পঞ্চদশাহেন শূদ্ৰো মাসেন শুধ্যতি ॥ ৬।৭

বশিষ্ঠঃ—ব্ৰাহ্মণো দশৰাত্ৰেণ পঞ্চদশৰাত্ৰেণ ভূমিপঃ।

বিংশতি ৰাত্ৰেণ বৈশ্যঃ শূদ্ৰোমাসেন শুধ্যতি ॥ ১।৫১

অঙ্গিৰাঃ—দশাহাচ্ছুধ্যতে বিপ্ৰো দ্বাদশাহেন ভূমিপ।

পাক্ষিকং বৈশ্যঃ এবাহং শূদ্ৰোমাসেন শুধ্যতি ॥১।২১

গৌতমঃ—শাবমাশৌচং দশৰাত্ৰমৃত্বিক্দীক্ষিত ব্ৰহ্মচাৰিণম।

ক্ষত্ৰিয়স্য দ্বাদশৰাত্ৰং বৈশ্যাৰ্দ্ধমাসমেকং মাসং শূদ্ৰস্য ॥.৪

শঙ্খঃ—জননে মৰণে বিপ্ৰো দশাহেন বিশুধ্যতি।

ক্ষত্ৰিয়ো দ্বাদশাহেন বৈশ্যঃ পক্ষেণ শুধ্যতি।

মাসেনতু তথ শূদ্ৰঃ শুদ্ধিমাপ্নোতি নান্যথা ॥১৫।২।৩৭

পৰাশৰঃ—জাতি বিপ্ৰো দশাহেন দ্বাদশাহেন ভূমিপঃ।

বৈশ্যঃ পঞ্চদশাহেন শূদ্ৰোমাসেন শুধ্যতি ॥৩।৪

কূৰ্ম্মপুৰাণম্ঃ—দশৰাত্ৰং ভবেদ্বিপ্ৰে দ্বাদশাহন্তু ক্ষত্ৰিয়ে।

বৈশ্যঃ পঞ্চদশাহেন শূদ্ৰস্য ত্ৰিংশতাদিনৈঃ ॥

ব্ৰহ্মপুৰাণ পদ্মপুৰাণেঃ—

দেয়স্তু দশমঃ পিণ্ডো ৰাজ্ঞাং বৈদ্বাদশেঽহনি।

বৈশ্যানাং বৈপঞ্চদশে দেয়স্তু দশমস্তথা।

শূদ্ৰস্য দশমঃ পিণ্ডো মাসে পূৰ্ণেঽহ্নিদীয়তে ॥

পাৰস্কৰ গৃহ্যসূত্ৰম্ ঃ— ত্ৰিৰাত্ৰং শাবমাশৌচং দশৰাত্ৰমিত্যেকে পক্ষ. দ্বৌবা অশৌচম্।

উক্ত পাৰস্কৰ-সূত্ৰৰ ভাষ্য যথা ঃ—

পক্ষং পঞ্চদশাহোৰাত্ৰাণি বৈশ্যস্যাশৌচং ভৱতি,
দ্বৌ পক্ষৌ ত্ৰিংশাহোৰাত্ৰাণি শূদ্ৰস্য, বা শব্দাৎ
দ্বাদশাহোৰাত্ৰাণি ক্ষত্ৰিয়স্য অশৌচম্।

ইত্যাদি পুৰাণ, সংহিতা আদিৰ ভূৰি ভূৰি প্ৰমাণ আছে যে, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য শূদ্ৰৰ ক্ৰমে ১০, ১২, ১৫, ৩০ দিনহে অশৌচ বিধান কৰিছে। ইয়াৰ বাহিৰেও ভাৰতৰ ভূতকালৰ নানা শাস্ত্ৰদৰ্শী উদাৰবুদ্ধি সুবিজ্ঞ পণ্ডিতপ্ৰবৰ কামৰূপীয় নিবন্ধন স্মৃতিসাগৰ প্ৰণেতা পণ্ডিতকুলচূড়ামণি দামোদৰ মিশ্ৰ, অষ্টাদশ কৌমুদীকাৰ মহামহোপাধ্যায় পীতাম্বৰ বিদ্যাবাগীশ, কোচবিহাৰৰ দ্বাদশভাস্কৰকাৰ পণ্ডিতপ্ৰবৰ শম্ভুনাথ মিশ্ৰ, বঙ্গদেশৰ অষ্টাবিংশতি তত্ত্বকাৰ মহামহোপাধ্যায় ৰঘুনন্দন ভট্টাচাৰ্য্য, পশ্চিম দেশৰ স্মৃতিনিবন্ধকাৰ নিৰ্ণয়-সিন্ধুপ্ৰণেতা কমলাকৰাচাৰ্য্য, ব্যৱস্থাৰ্ণৱপ্ৰণেতা বেদাচাৰ্য্য, বিবেককাৰ মহামহোপাধ্যায় শূলপাণি, নিৰ্ণয়াকাৰ গোপাল ন্যায় পঞ্চানন, চিন্তামণিপ্ৰণেতা বাচস্পতি মিশ্ৰ, হাৰলতা, মিতাক্ষৰা, স্মৃতি-পদ্ম, মুৰ্খবোধ, আশৌচচন্দ্ৰিকা, নিৰ্ণয়ামৃত ইত্যাদি স্মৃতি-সংগ্ৰহ গ্ৰন্থত আৰু কুল্লূকভট্ট, মেধাতিথি প্ৰভৃতি টীকাকাৰ পণ্ডিত সমূহেও বৰ্ণভেদে বেলেগ অশৌচ পালনহে উল্লেখ কৰি যাব পাৰিছে। যথাৰ্থতে পৌৰাণিক বা আধুনিক (পৌৰাণিক

অপেক্ষা ) স্মৃতি শাস্ত্ৰত সৰ্ব্ববৰ্ণৰ দশাহ অশৌচৰ বিধান থকা হ'লে এই পণ্ডিতসকলে নিশ্চয় এঠাইত নহয় এঠাইত স্পষ্টকৈ উল্লেখ কৰি গৈছেহেতেন। সৰ্ব্ববৰ্ণৰ দশাহ অশৌচ সমৰ্থনকাৰী-সকলে হয়তো কব পাৰে যে আধুনিক স্মৃতি নিবন্ধকাৰ পণ্ডিতসকল ব্ৰাহ্মণ, সিসকলে স্বজাতীয় পক্ষপাত নিবন্ধনত সংকীৰ্ণ মনোভাবৰ বশ হৈ পৌৰাণিক স্মৃতি শাস্ত্ৰৰপৰা ব্ৰাহ্মণেতৰ জাতিৰ দশাহ-অশৌচ-বিধায়ক বচনবিলাক বাদ দি আধুনিক (পৌৰাণিক অপেক্ষা) স্মৃতিবিলাক নিবন্ধন কৰিছে। যদি সেয়ে হয় তেনে ধৰ্ম্ম-সমাজ-সংস্কাৰী শূদ্ৰৰ দশাহ-অশৌচ-প্ৰবৰ্ত্তক পণ্ডিতসকলৰ তীক্ষ্ণ দৃষ্টিত হলেও পৌৰাণিক স্মৃতি-শাস্ত্ৰত সেইবিলাক বান ধৰা পৰিব লাগিছিল। কিন্তু সিসকলেও বিশাল শাস্ত্ৰসমুদ্ৰ মন্থন কৰি, "অশ্বত্থামাহত ইতি গজ" পৰ্য্যায়ৰ তথ্যাত্মক গৰুড়-পুৰাণৰ

সাৰ্ব্বেষামেববৰ্ণানা সূতকে মৃতকে তথা।
দশাহাচ্ছুদ্ধিৰেতোষঃ গৰুড়শাস্ত্ৰস্য নিশ্চয়ঃ॥

আৰু পাৰস্কৰ গৃহ্যসূত্ৰ—

ত্ৰিৰাত্ৰং শাবমাশৌচং দশৰাত্ৰমিত্যেকে
পক্ষং দ্বৌবা অশৌচম্।

আৰু অঙ্গিৰাৰ—

সাৰ্ব্বেষামেব বৰ্ণানাং সূতকে মৃতকে তথা।
দশাহাৎ শুদ্ধিৰিত্যেবামিতি শাতাতপোঽব্ৰবীৎ॥

এই বচন কেইটিহে শূদ্ৰৰ দশাহ অশৌচ প্ৰতিপাদক বুলি

জোৰেৰে প্ৰচাৰ কৰিছে আৰু সকলবৰ্ণৰ দশাহ অশৌচৰ মূল ভিত্তি বুলি ধৰি লৈছে।

গৰুড়-পুৰাণ-সাৰোদ্ধাৰৰ "সৰ্ব্বেষামিতি" এই বচন আৰু পাৰস্কৰ গৃহ্যৰ "ত্ৰিৰাত্ৰং শাবমাশৌচমিতি" এই বচন দুটিৰ যথাৰ্থ ব্যাখ্যা ওপৰত উল্লেখ কৰি অহা হৈছে। অঙ্গিৰাৰ বচনটিৰ ইতি শব্দই আদি অৰ্থ বুজাইছে, (ইতোৰাদ্যৰ্থাৎ) অঙ্গিৰাৰ ১৫১ শ্লোকত স্পষ্টৰূপে ব্ৰাহ্মণ আদি চাৰিবৰ্ণৰ ক্ৰমাৎ ১০, ১২, ১৫, ৩০ দিন অশৌচ বিধান কৰিছে। গতিকে অঙ্গিৰাৰ "সৰ্ব্বেষামিতি" শাতাতপোক্ত বচনৰ সঙ্গত সৰলাৰ্থ এনেকৈ হয় যে সকলো বৰ্ণৰ (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ) জনন-মৰণাশৌচত দশাহকে আদি কৰি ১০, ১২, ১৫, ৩০ দিনৰ শুদ্ধিৰ যি বিধান কৰিছে, তাকেহে শাতাতপেও কৈছে, অৰ্থাৎ সমৰ্থন কৰিছে। গতিকে ইয়া সকলবৰ্ণৰ দশাহাশৌচ-বিধায়ক বচন হৈ নুঠে।

অশৌচং দশৰাত্ৰন্তু সৰ্ব্বেষামপৰে বিদুঃ।
নিধনে প্ৰসবে চৈব পশ্চাত্তু ব্ৰাহ্মণঃ স্বয়ম্॥

নিৰ্ণয়-সিন্ধুধৃত দেবলঃ।

উক্ত বচনৰ নিৰ্ণয়-সিন্ধুত ব্যাখ্যা দিছে, যেনে— অত্যন্তোৎকৃষ্টস্য ব্ৰহ্মণো পীড়াবত্তো বিপ্ৰপৰিচৰ্য্যাপৰম্। হাৰলতাত এই বচনৰ ইয়াতকৈয়ো স্পষ্ট ব্যাখ্যা দিছে, যেনে—অত্যন্তোৎকৃষ্ট ব্ৰাহ্মণস্তু স্বকৰ্ম্মানুষ্ঠান হানৌ মনঃপীড়া অনুভবতাং ক্ষত্ৰ-বিট্-শূদ্ৰাণাং দশৰাত্ৰমশৌচম্। অয়মপি অশৌচ সঙ্কোচঃ=

স্বকৰ্ম্মানুস্থান এব। তদুক্ত কালাবধি নৈবত্ত সৰ্ব্বাশৌচ নিবৃত্তি-ৰিত্যাদি। অৰ্থাৎ যিবিলাক অতি উৎকৃষ্ট গুণসম্পন্ন ক্ষত্ৰিয়, বৈশ্য শূদ্ৰই অশৌচ কাৰণত স্বকীয় নিত্যকৰ্ম্ম পতিত হেতু মনত পীড়ানুভব কৰে, সেইসকলে দহ দিনত অশৌচ শুদ্ধি কৰি স্বকীয়-নিত্য কৰ্ম্ম কৰিব। অন্য (বৈদিক, পৈত্ৰিক) কৰ্ম্ম মনক অশৌচান্ত কালত, অৰ্থাৎ ব্ৰাহ্মণৰ ১০ দিন ক্ষত্ৰিয়ৰ ১২ দিন বৈশ্যৰ ১৫ দিন, শূদ্ৰৰ ৩০ দিনৰ অন্তত্তহে কৰিব। আৰু —

দশাহেন সপিণ্ডাস্তু শুধ্যন্তি প্ৰেত সূতকে।

ত্ৰিৰাত্ৰেণ সকুল্যাস্তু স্নাত্বা শুধ্যন্তি গোত্ৰজাঃ॥

(অশৌচতত্ত্ব নিৰ্ণয়ধৃত বৃহস্পতিঃ) এই বচনটি ব্ৰাহ্মণৰ অশৌচ বিধায়কহে, শূদ্ৰৰ দশাহাশৌচ সংগ্ৰাহক হ'ব পৰা কোনো লক্ষণ এই বচনটিত প্ৰকাশ পোৱা নাই। ইত্যাদি প্ৰকাৰে সকল বৰ্ণৰে দশাহাশৌচ প্ৰবৰ্ত্তক পণ্ডিতসকলে আগ গুৰি এৰি যি দুই এটি শাস্ত্ৰীয় বচন স্বপক্ষ সমৰ্থনত গ্ৰহণ কৰিব খোজে এই সকলো বচনৰে অৱস্থা এইৰূপ। শাস্ত্ৰ যুক্তি-সামঞ্জস্য ৰাখি সমালোচনা কৰি চালে কোনোটি বচনেই সৰ্ব্ববৰ্ণৰ দশাহাশৌচ বিধায়ক হৈ নুঠে। বিশেষতঃ সকলো স্মৃতিৰ ভিতৰত মনুয়েই শ্ৰেষ্ঠ। প্ৰমাণ যথা--

পৌৰুষেয়ত্বেঽপি মনুবাক্যান মবিগীত মহাজন-

পৰিগ্ৰহাৎ শ্ৰুত্যাপগ্ৰহাচ্চ বেদমূলকতয়া প্ৰামাণ্যম্॥

তথাচ ছান্দোগ্যব্ৰাহ্মণে শ্ৰূয়তে মনুৰ্বৈব যৎকিঞ্চিদবদৎ তদ্ভেষজং ভেষজতয়া ইতি।

বৃহস্পতিঃ—বেদার্থোপনিবন্ধৃত্বাৎ প্রাধান্যং হি মনোঃস্মৃতম্ ।

মন্বর্থবিপরীতা যা সা স্মৃতির্ন প্রশস্যতে ।

তাবচ্ছাস্ত্রাণি শোভন্তে তর্কব্যাকরণানিচ ।

ধর্ম্মার্থমোক্ষোপদেষ্টা মনুর্যাবন্নদৃশ্যতে ॥

ইত্যাদি বচনৰপৰাই জানিব পাৰি যে মনুৰ বাক্যবিলাক বেদ-ৰাক্য তুল্য। সেই মনুৱে ৫ অঃ ৮৩ শ্লোকত ব্ৰাহ্মণৰ ১০, ক্ষত্ৰিয়ৰ ১২, বৈশ্যৰ ১৫, শূদ্ৰৰ ৩০ দিন অশৌচ স্পষ্টকৈ উক্ত কৰি গৈছে। কিন্ত দশাহাশৌচ প্ৰবৰ্ত্তকসবলে সেই মনুৰ বচন এটি উল্লেখ কৰে। যথা—

দশাহং শাবমাশৌচং সপিণ্ডেষু বিধীয়তে।

অৰ্ব্বাক্ সঞ্চয় নাদস্থ্নাং ত্ৰ্যহমেকাহমেববা॥ ৫।৫৯

এই শ্লোকটি সম্পূর্ণ ব্ৰাহ্মণবিষয়কহে; প্ৰমাণ যথা—

মনুঃ—প্ৰেতশুদ্ধিং প্ৰবক্ষ্যামি দ্ৰব্যশুদ্ধিন্তথৈবচ।

চতুৰ্ণামপি বৰ্ণানাং যথাবদনুপূৰ্ব্বশঃ॥ ৫।৫৭

অৰ্থাৎ চাৰি বৰ্ণৰ যথাক্ৰমে প্ৰেতশুদ্ধিৰ কথা মই কওঁ, সেই অনুৰূপে দ্ৰব্যশুদ্ধিৰ কথাকো কওঁ। গতিকে মনুৱে ক্ৰমেৰে চাৰিবৰ্ণৰ প্ৰেতশুদ্ধি কৰলৈ বুলি ইচ্ছা কৰা হেতুকে চাৰিবৰ্ণৰ ভিতৰত ব্ৰাহ্মণেই আদি যোৱিয়া প্ৰথমতে ৫৯ সংখ্যক শ্লোকেৰে ব্ৰাহ্মণৰ অশৌচ বিধান কৰি তাৰ পাছত ৮৩ সংখ্যক শ্লোকত (ওপৰত উল্লিখিত মতে) ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ ক্ৰমে ১০, ১২, ১৫, ৩০ দিনীয়া অশৌচৰ স্পষ্ট উল্লেখ কৰিছে। এই প্ৰকাৰে অন্যান্য শাস্ত্ৰয়ো ব্ৰাহ্মণাকেই মুখ্য কৰি অশৌচ

প্ৰায়শ্চিত্তাদিৰ বিধি-ব্যৱস্থাবিলাক বিধান কৰি ক্ৰমে ক্ষত্ৰিয় বৈশ্য, শূদ্ৰৰ যি ইতৰ-বিশেষ থাকে তাক প্ৰকাশ কৰে। উদাহৰণ যথা—

মীমাংসায় —ব্ৰাহ্মণো সমুদ্দিষ্টং প্ৰত্যুষ্টাশ্বা স্বমাতৰম।
নাৰাতে ব্ৰহ্মণোগন্ধা চৰেদ্দ্বাদশ বাৰ্ষিকম।
শতাদি পাদহ্ৰাসেণ সব্বত্ৰ ব্ৰতমাচৰেৎ ॥

ইত্যাদি প্ৰকাৰে ব্ৰাহ্মণ জাতীয় প্ৰায়শ্চিত্ত তাক অশৌচ বিধান কৰি ক্ষত্ৰিয়াদিৰ দিন হ্ৰাস বা বৃদ্ধি কৰা অনেক প্ৰমাণ-মূলক বচন আছে।

ব্যৱস্থাপকে উক্ত ব্যৱস্থা-পত্ৰত উল্লেখ কৰিছে যে, মানুহৰ মৃত্যুৰ পাছত জীৱৰ কোনো জাতিভেদ নথাকে, ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য শূদ্ৰৰ অশৌচ-ভেদ অযৌক্তিক। মৃত্যুৰ পাছত কয়, জীৱৰ কোনো অৱস্থাতেই জাতিভেদ নাই। জীৱ জন্ম-মৃত্যু আদি-অতুৰহিত। প্ৰমাণ যথা—

শ্ৰীমদ্ভগৱদ্গীতা—ন জায়তে ম্ৰিয়তে বা কদাচিৎ
নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণে
ন হন্যতে হন্যমানে শৰীৰে ॥

জাতিবিচাৰ শৰীৰধাৰীৰ পক্ষতে, (নানাশৰীৰবৃত্তিজ্জাতিঃ) ইতিকে বুজিব লাগিব অশৌচ জীৱজন্য নহয়, দেহজন্যহে। তাৰ অন্য প্ৰমাণ— সৰ্ব্বাংগসম্পন্ন সন্তান জীৱহীন হৈ জন্মিলেও স্বজাত্যুক্ত পূৰ্ণাশৌচ পালন কৰিবলৈ শাস্ত্ৰত বিধান দিছে প্ৰমাণ যথা—

মিতাক্ষৰায়াং পাৰস্কৰঃ—

গৰ্ভে যদি বিপত্তি স্যাদ্দশাহং সূতকং ভবেৎ।

( দশাহং পদং স্ব স্ব জাত্যুক্তাশৌচপৰমিতি )

সেইৰূপ অপূৰ্ণাঙ্গ গৰ্ভস্রাবাশৌচ। প্ৰমাণ যথা—

আদি পুৰাণে— ষণ্মাসাভ্যান্তৰং যাবৎ গৰ্ভস্রাবো ভবেৎ যদি।

তদা মাস সমৈস্তাসাং দিবসৈঃ শুদ্ধিৰিষ্যতে॥

আৰু যথাকালত দেহৰ দাহ ঘটি উঠিলে স্বজাত্যুক্তাশৌচ অতিক্ৰম হলেও শাস্ত্ৰোক্ত নিৰ্দিষ্ট দিনত ভগ্নাস্থি দাহ বা ( পৰ্ণনৰ দাহ ) কৰিলে পুনঃ অশৌচ পালন কৰিব লগা প্ৰমাণ যথা—

স্মৃতিঃ— মৃতাগ্নিপূৰ দো যস্য সংস্কাৰো ন কৃতঃ পুৰা।

কুশপুত্তলদাহেন পুনঃ সংস্কাৰমৰ্হতি।

অশৌচান্তৰং চেৎস্যাদ্দাহঃ পৰ্ণনৰস্যচ।

ত্ৰ্যাহাচ্ছুধ্যাস্থিচ তথা সন্নিকৃষ্টাঃ সগোত্ৰজাঃ।

দেহ মৰণ জন্য অশৌচৰ প্ৰভাব থাকে বন্ধু-বান্ধৱাদিৰ দেহৰ ওপৰতহে, ( জীৱৰ ওপৰত নহয় ); সিসকলহে দৈৱিক পৈতৃক কাৰ্য্যৰ অনহঁ হৈ থকাটো শাস্ত্ৰই প্ৰমাণ কৰে। প্ৰমাণ যথা—

শঙ্খঃ— অকৃত্বা প্ৰেতশ্ৰাদ্ধানি পৈতৃস্য ধনহাৰকঃ।

বৰ্ণানাং তদ্বধে প্ৰোক্তং তদ্ব্ৰত নিয়তশ্চৰেৎ॥

প্ৰমৃতৌ পিতৰৌ যস্য দেহস্তস্যাশুচিভবেৎ।

নাপি দৈৱ নবা পৈত্ৰ্যং যাবদপূৰ্ণো নবৎসৰঃ॥

আৰু যদি যথাথাত মৃতক জন্ম জাতিৰ লগত সম্বন্ধত নথাকে তেনে সেই মৃতকৰ উদ্দেশ্যে পিণ্ডোদকাদি দান কৰোতে নামৰ

লগত জাতিপৰিচায়ক ব্ৰাহ্মণৰ শৰ্ম্মা, ক্ষত্ৰিয়ৰ বৰ্ম্মা, বৈশ্যৰ গুপ্ত, শূদ্ৰৰ দাস বিশেষণ উল্লেখ কৰিব লাগে কিয় ? গতিকে ইত্যাদি শাস্ত্ৰীয় প্ৰমাণে জন্ম-মৃত্যুজনিত অশৌচ জাতি-ভেদানুযায়ী পালন কৰিবলৈ কোৱাটিহে স্পষ্টৰূপে বুজাইছে। এইহেতু সৰ্ব্ববৰ্ণৰ দশাহাশৌচ শাস্ত্ৰসিদ্ধ বুলি কোনোৰকমে ধৰি ল'ব নোৱাৰি।

"দশাহ ব্যৱস্থা আৰু হৰিনাম মাহাত্ম্য"ৰ ২ পৃষ্ঠাত লিখা

কেৱলং শাস্ত্ৰমাশ্ৰিত্য নকৰ্ত্তব্যো বিনিৰ্ণয়ঃ।
যুক্তিহীন বিচাৰেণ ধৰ্ম্মহানিঃ প্ৰজায়তে ॥

এই বচনটিৰ যুক্তি মানি চলিবলৈ আমি সম্পূৰ্ণ প্ৰস্তুত, কেৱল লিখকে দিয়া যুক্তিটিহে ওপৰত উল্লেখ কৰা কাৰণত মানি লব পৰা নহল। ইয়াৰ লগতে আমি কৈ থওঁ, শাস্ত্ৰীয় মতৰ আতিগুৰিৰ সামঞ্জস্য ৰখা যুক্তিলৈ লক্ষ্য নকৰি ত'ৰ ত'ৰ একোটি বচন বুটলি আনি তাৰ সৰল শব্দাৰ্থ গ্ৰহণ কৰি একোটি মত প্ৰচাৰ কৰিবলৈ গলে, যথাৰ্থতে ধৰ্ম্মৰ গ্লানি ঘটে। বৰ্ত্তমান দহদিনীয়া প্ৰথায়ো তাকে কৰিছে।

উক্ত ব্যৱস্থা-পত্ৰে পিতৃকাৰ্য্যত ব্ৰাহ্মণ-বিচাৰ সম্পৰ্কে যি কেইটি বচন উল্লেখ কৰিছে সি ভোজনৰ বিষয়তহে। মূৰ্খ ব্ৰাহ্মণতকৈ বেদাবিজ্ঞ ব্ৰাহ্মণ যে শ্ৰেষ্ঠ আৰু তেনে ব্ৰাহ্মণক যে ভোজন কৰোৱা শ্ৰেয়ঃ, সেইটি সাধাৰণ জ্ঞানেৰেই সকলোৱেই বুজে। পুৰোহিত সম্বন্ধে এই বচনত নামমাত্ৰও উল্লেখ নাই। অৱশ্যে যুক্তি বিবেচনাৰে ধৰি লব পাৰি যে, ভোজন কৰোৱা ব্ৰাহ্মণেই বেদবিজ্ঞ হব লাগে যেতিয়া

পুৰোহিত যে শাস্ত্ৰজ্ঞ হব লাগে সি যথাৰ্থ। সেইবুলি পুৰোহিতবিলাক সম্পূৰ্ণ বেদবেদাঙ্গ পাৰ্গত হব লাগিব আৰু তেনে পুৰোহিত নেপালে সকলো পৌৰোহিত্য কৰ্ম্মকে বাদ দিব লাগিব এনে শাস্ত্ৰীয় প্ৰমাণ প্ৰচাৰকে উল্লেখ কৰিব পৰা নাই। অৱশ্যে ব্ৰাহ্মণসকল তথাকথিত পুৰোহিতসকল যে শাস্ত্ৰোক্ত বৰ্ণাশ্ৰম ধৰ্ম্মত নিৰ্ব্বিকাৰে অবস্থিত হৈ থাকিব পাৰিছে এনে নহয়, কালৰ প্ৰভাবত আশাতীত বিপৰ্যায ঘটিব লাগিছে। কেৱল ব্ৰাহ্মণৰেই নহয়, সকলো বৰ্ণাশ্ৰমধৰ্ম্মীৰেই বিপৰ্যায় ঘটিছে। তথাপি প্ৰত্যেক জাতিৰ লোকেই নিজ জাতীয় বৈশিষ্ট্য ৰক্ষা কৰিবলৈ বৰ্ত্তমানলৈকে যথাসাধ্য চেষ্টা কৰি আহিছে আৰু কৰাটি বিধেয়ও। বিশিষ্ট বুদ্ধিসম্পন্ন মনুষ্যৰ এয়ে বিশেষত্ব।

অকল পুৰোহিত ব্ৰাহ্মণ কিয়, শিক্ষক, গুৰু, ভকত, দেশনেতা, শাসনকৰ্ত্তা আদি সকলোৰেই আদৰ্শস্থানীয় হ'ব লাগে; কিন্তু তেনে আদৰ্শ-লোক পোৱা নেযায় বুলিয়েই সেইবিলাক নোহোৱাকৈ থাকিব পৰা হয় জানো?

ব্যৱস্থা-পত্ৰত "পিতৃনুদ্দিশ্যযৈবিতি", আৰু "কিংদৈত্তৈৰিতি" আৰু "যমুদ্দিশ্যহৰেৰিতি" যি বচন তিনটা উল্লেখ কৰিছে সি হৰি-পূজা-মাহাত্ম্যপ্ৰকাশক মাত্ৰ। কেৱল হৰিপূজক হলেই যদি সকলো বৈদিক ধৰ্ম্ম-কৰ্ম্ম পৰিত্যাগ কৰিব লাগে বা কৰ্ম্ম কৰিবৰ আৱশ্যকেই নেথাকে তেনে প্ৰহ্লাদৰ তুল্য অদ্বিতীয় হৰিভক্তৰ পিতাক হিৰণ্যকশিপু হৰিৰ অৱতাৰ

নৃসিংহদেৱৰ হাতত নিহত হোৱাতো নৃসিংহদেৱে প্ৰহ্লাদক প্ৰেত-ক্ৰিয়া কৰিবলৈ আদেশ দিয়া নাই জানো? প্ৰমাণ যথা—

শ্ৰীমদ্ভাগৱতে ঃ—কুৰুত্বং প্ৰেতকৃত্যানি পিতুঃ পুতস্যসৰ্ব্বশঃ।

মদঙ্গস্পৰ্শনে নাঙ্গলোকান্ যাস্যতি সুপ্ৰজাঃ॥

উক্ত শ্লোকাৰ্থত কীৰ্ত্তনৰ প্ৰহ্লাদ-চৰিত্ৰত শ্ৰীশঙ্কৰদেৱে লিখিছে,—

ভকতত শ্ৰেষ্ঠ তই পাইলি বাঞ্ছা সিদ্ধি।

কৰিয়ো পিতৃৰ প্ৰেত-কাৰ্য্য যেন বিধি॥

আৰু স্বয়ং ভগবান শ্ৰীকৃষ্ণদেৱৰ হাতত কংসৰ মৃত্যু হোৱাতো ভগবান কৃষ্ণদেৱে কংসৰ প্ৰেত-ক্ৰিয়া সমাপন নিজেই কৰোৱা নাই জানো? প্ৰমাণ যথা—

শ্ৰীমদ্ভাগৱতে ঃ—ৰাজযোষিত আশ্বাস্য ভগবাল্লোকভাৱনঃ।

যামাহুঃ লৌকিকীং সংস্থাং হতানাং সমকাৰয়েৎ॥

১০ ৪৪।৪৯

উক্ত শ্লোকাৰ্থত কীৰ্ত্তনৰ কংস-বধত,

তাসম্বাক কৃষ্ণে আশ্বাসিয়া পঠাই ঘৰ

কৰাইলা কংসৰ প্ৰেতকাৰ্য্য নিৰন্তৰ॥

গতিকে পিতৃৰ প্ৰেত-ক্ৰিয়া পুত্ৰৰ যে অৱশ্য কৰ্ত্তব্য সেইটি সকলো প্ৰকাৰেই শাস্ত্ৰ-সিদ্ধ কথা।

সেই ব্যৱস্থা-পত্ৰত উল্লেখ কৰা হৈছে পদ্মপুৰাণৰ এটি শ্লোক। যেনে—

ধ্যানংতপঃ সত্যযুগে ত্ৰেতায়াং যজ্ঞকৰ্ম্মচ।

দ্বাপৰে পূজনং দানং হৰেৰ্নাম কলৌযুগে॥

এই প্ৰকাৰৰ যুগধৰ্ম্ম নিৰ্ণায়ক শ্লোক অন্য পুৰাণাদিতো আছে। কিন্তু ই হৈছে প্ৰত্যেক যুগৰ প্ৰধান মোক্ষ-ধৰ্ম্ম। সেই ধৰ্ম্মৰ লগতে আনুষঙ্গিক অন্যান্য বৈদিক ধৰ্ম্মও যে চলিয়েই আছিল, তাৰ প্ৰমাণ অনেক আছে। যিহেতু প্ৰধানক ৰক্ষা আৰু প্ৰেৰণা যোগাবলৈ অপ্ৰধান কিছুমানৰ নিতান্ত আৱশ্যক। তাৰ প্ৰমাণ, উক্ত বচনমতে সত্য-যুগৰ ধৰ্ম্ম হৈছে ধ্যান আৰু তপস্যা। হিৰণ্যকশিপুৰো নৃসিংহৰ হাতত মৃত্যু ঘটিছিল সেই যুগতেই। পিছে নৃসিংহই প্ৰহ্লাদক পিতৃৰ সদ্গতিৰ কাৰণে "তপস্যা বা ধ্যান" কৰিবলৈ নকৈ প্ৰেত-ক্ৰিয়া কৰিবলৈ কলে কিয়? আৰু কৃষ্ণৰ হাতত কংসৰ পতন ঘটিছিল দ্বাপৰ-যুগৰ শেষত কলিৰ আদিত। তেতিয়া দ্বাপৰ-যুগৰ ধৰ্ম্ম দান বা পূজা আৰু কলিযুগৰ ধৰ্ম্ম হৰিকীৰ্ত্তন ইয়াৰ যি কোনো এটা নকৰাই শ্ৰীকৃষ্ণদেৱে কংসৰ প্ৰেত-ক্ৰিয়া কৰোৱালে কিয়? এইবিলাকৰদ্বাৰা বৰ্ণাশ্ৰমীসকলে বৈদিক ক্ৰিয়া পালন কৰিব লগাটোহে জ্বলন্তৰূপে প্ৰমাণিত হৈ আছে।

দশাহাশৌচ-প্ৰচাৰকে কেৱল নাম-কীৰ্ত্তনেৰেই শ্ৰাদ্ধ-কাৰ্য্য কৰিবলৈ দিয়া বিধান কোনো শাস্ত্ৰীয় বিধি নহয়, প্ৰচাৰকৰ কাল্পনিক বিধান মাত্ৰ। যি বেদ-বিধি ত্যাগ কৰি হৰিক ভজনা কৰে, সেইবিলাকে সিদ্ধিলাভ কৰিব নোৱাৰে। প্ৰমাণ যথা—

শ্ৰীমদ্ভগৱদ্গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছে,—

যঃ শাস্ত্ৰবিধিমুৎসৃজ্য বৰ্ত্ততে কামকাৰতঃ।
ন স সিদ্ধিমবাপ্নোতি ন সুখং ন পৰাং গতিম্॥

তস্মাচ্ছাস্ত্রং প্রমাণং তে কার্য্যাকার্য্যব্যবস্থিতৌ।
জ্ঞাত্বাশাস্ত্রবিধানোক্তং কর্ম্মকর্ত্তুমিহার্হসি ॥

অপৰ— শ্ৰুতিস্মৃতি মমৈবাজ্ঞাযস্তূল্লঙ্ঘ্য প্ৰবৰ্ত্ততে।
আজ্ঞাচ্ছেদী মমদ্বেষী মদ্ভক্তোঽপিনবৈষ্ণবঃ ॥

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ঠ
যিটো জনে তাক উলঙ্ঘিয়া প্ৰবৰ্ত্তয়।
হৈল সিটো মোৰ আজ্ঞাছেদী মোক দ্বেষ কৰিলেক আত্তি
মোৰ ভক্তওন্তো বৈষ্ণৱ সিটো নোহয় ॥

— নাম ঘোষা।

জনন আৰু মৰণ অশৌচ প্ৰত্যক্ষভূত বস্তু নহয়, জ্ঞানগম্য বিষয়হে। আমালোকক সেই জ্ঞান জন্মাইছে স্মৃতি আদি শাস্ত্ৰইহে। অশৌচ বিশ্বাস কৰিলে স্মৃতি আদি শাস্ত্ৰ বিশ্বাস কৰিব লাগে। সেই স্মৃতি আদি শাস্ত্ৰ বিশ্বাস কৰিলে সেই শাস্ত্ৰই অশৌচ পালন বিধান যেনে প্ৰকাৰে দিছে সেই প্ৰকাৰেহে পালন কৰা বিধেয়। সেই শাস্ত্ৰবিলাকত যাৰ বিশ্বাস নহয় তেওঁলোকৰ পক্ষে দহ দিন কিয়, এদিনো অশৌচ পালন কৰিবৰ আৱশ্যক নাই। গৃহপালিত পশু মৰিলে তাক পেলাই আহি গা ধুই শুদ্ধ হোৱাৰ দৰেই মানুহ মৰিলেও সিসকলে আধুনিক স্বাস্থ্য-নীতিমতে শুদ্ধ হব পাৰে। ইয়াকে নকৰি আৰু এই মনোভাবকে স্পষ্ট নকৰি ধৰ্ম্মশাস্ত্ৰৰ দোহাই দি শাস্ত্ৰৰ আগগুৰি এৰি বচন এফোটি উদ্ধৃত কৰি আনি নিজৰ মতকে শাস্ত্ৰীয় মত বুলি প্ৰতিপন্ন কৰি সৰলমতি

লোকসকলক ধৰ্ম্মপথভ্ৰষ্ট কৰিবলৈ যোৱাটো কিমানদূৰ সঙ্গত হৈছে পাঠকসকলে ভাবি চাব।

হৰেৰ্নামধ্বজীকৃত্য ত্যক্ত্বাবৈ বেদপদ্ধতিম্।
শিশ্নোদৰপৰোভ্ৰষ্টঃ স ইহামূত্ৰ নংক্ষ্যতি

উক্ত শ্লোকাৰ্থত নাম-ঘোষাত শ্ৰীশ্ৰীমাধৱদেৱে লিখিছে—

হৰি-নাম ধ্বজ কৰি বেদপথ পৰিহৰি
ফুৰে আতি পাষণ্ডসকল
ইহ পৰ লোকে ভ্ৰষ্ট হুয়া পেট পুষি মাত্ৰ
ফুৰিবেক পৰম নিষ্ফল ॥

শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষে নানা শাস্ত্ৰীয় প্ৰমাণ-যুক্তিৰে তান্ত্ৰিক মত খণ্ডন কৰি অসমত পৌৰাণিক বৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তন কৰি বৈষ্ণৱ ধৰ্ম্মৰ ইতিহাসত যুগান্তৰ আনিছিল। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ যে অশেষ শাস্ত্ৰদৰ্শী মহাপণ্ডিত আছিল, মহাপুৰুষৰ লিখনী-নিঃসৰিত গীত পদ আদি মহাবাণীসমূহেই তাৰ জ্বলন্ত প্ৰমাণ।

সৰ্ব্ববৰ্ণৰ দশাহাশৌচ শাস্ত্ৰসিদ্ধ হোৱাহলে কায়স্থকুলোদ্ভৱ মহাপুৰুষৰ সুদূৰদৰ্শী সুতীক্ষ্ণ দীব্যদৃষ্টিত নিশ্চয় ধৰা পৰিল হেতেন আৰু স্বপ্ৰণীত গ্ৰন্থত নিশ্চয় তাক প্ৰকাশ কৰি গ'ল হেতেন। কিন্তু মহাপুৰুষৰ ৰচিত গ্ৰন্থত তেনে কোনো আভাস পোৱা নেযায়। বৰং শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষৰ প্ৰধান ধৰ্ম্মোত্তৰাধিকাৰী শ্ৰীশ্ৰীমাধৱদেৱ মহাপুৰুষৰ তত্ত্বাৱধানত শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষৰ অন্ত্যেষ্টি-ক্ৰিয়া মাসান্তহে সমাধা কৰা হৈছিল বুলি চৰিত্ৰ-পুথিত প্ৰমাণ পোৱা যায়।

অৱশ্যে দেশ-কালৰ গতি অনেক পৰিবৰ্ত্তন হৈছে। পূৰ্ব্বৰ আচাৰ আৰু ধৰ্ম্ম-কৰ্ম্ম বৰ্ত্তমান কালৰ অনুপযোগী বুলি যিসকলে বিশ্বাস কৰে আৰু পৰিবৰ্ত্তন একান্ত আৱশ্যক বুলি ভাবে, সেই পৰিবৰ্ত্তনকামী মনীষীসকলে কি প্ৰকাৰৰ নো আচাৰ আৰু ধৰ্ম্ম-কৰ্ম্ম বৰ্ত্তমান সময়ৰ উপযোগী হ'ব লাগে সেই বিষযে যুক্তি-কৰ্ত্তব্যতা প্ৰমাণেৰে হিন্দুধৰ্ম্মানুশাসকসংহিতা এখনি নতুনকৈ প্ৰণয়ন কৰি হিন্দু-সমাজত সমৰ্থন কৰাই লৈ তাৰ পিছত সেই সংহিতা অনুসাৰে সমাজ সংস্কাৰ আৰু শাসন কৰিবলৈ আগবাঢ়িলে কাৰো বাদ-প্ৰতিবাদ কৰাৰ যুক্তি নেথাকিব। তাকে নকৰি স্বাভিৰুচিৰে ধৰ্ম্ম আৰু সমাজ সংস্কাৰ কৰিবলৈ যোৱাত অবাঞ্ছনীয় বাদ-বিসংবাদৰ সৃষ্টি কৰি নানা প্ৰকাৰ বিশৃঙ্খলা ঘটাই আমাৰ সমাজৰ বিশেষ ক্ষতি কৰা হে হৈছে। সমাজৰ যথাৰ্থ হিতাকাঙ্ক্ষীসকলৰ ওচৰত আমাৰ অনুৰোধ. সিসকলে এনে প্ৰকাৰৰ ধৰ্ম্ম-বৈপ্লৱিক স্ৰোত সৃষ্টি কৰি হিন্দু ধৰ্ম্ম আৰু সমাজৰ অনিষ্ট সাধন কৰিবলৈ যেন আগ নবাঢ়ে। সমাজৰ সুধীবৃন্দৰ ওচৰতো আমাৰ সনিৰ্বন্ধ অনুৰোধ সিসকলে শাস্ত্ৰীয় বিধি-বাক্যৰ যথাৰ্থ মৰ্ম্ম উপলব্ধি নকৰাকৈ পিতৃ-পিতামহাদি পৰম্পৰ চলি অহা আৰু পূৰ্ব্বীয় সন্ত-সাধুসকলৰ দ্বাৰা প্ৰবৰ্ত্তিত আৰু আচৰিত ধৰ্ম্মাচাৰবিলাক পৰিত্যাগ কৰি সদ্যসুখদায়ক ভাবি বৈপ্লৱিক চৌৰ সোঁতত উটি যাবলৈ ইচ্ছা নকৰে যেন। ইতি—

১৮৭১ শক,
২৪ বহাগ।

শ্ৰীশ্ৰীআউনীআটীয় গোস্বামী।

# প্ৰকাশকৰ নিবেদন

ইংৰাজী ১৯৩৩ চনত গোলাঘাটত ৺যোগেন্দ্ৰনাথ বৰুৱা এডিশ্যনেল জজ ডাঙৰীয়াৰ মাতৃ-হানি হোৱাত ৰায় চাহাব ৺গোপিকাবল্লভ গোস্বামী উকীল ডাঙৰীযাৰ পৰামৰ্শ আৰু শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ সন্মত অনুযায়ী দহ দিনত দশ পিণ্ড দি এঘাৰ দিনৰ দিনা আদ্যশ্ৰাদ্ধ আৰু বাৰ দিনৰ দিনা সপিণ্ডীকৰণ কৰা হয়। অসমত "উক্ত বৰুৱা ডাঙৰীয়াৰ মাতৃ-বিয়োগৰ পৰাই এই নতুন সংস্কাৰ আৰম্ভ হয়।"—( গড়মূৰ সত্ৰৰ চমু বুৰঞ্জী )

"দহদিনীয়া অশৌচৰ নিমিত্ত মাত্ৰ হৈ" নগাঁৱত জন্ম-গ্ৰহণ কৰা "শঙ্কৰদেৱ সঙ্ঘ"ই ১৯৩৫ চনত এই ব্যৱস্থা সমৰ্থন কৰি কেৱল হৰি-নাম-কীৰ্ত্তনেৰে শ্ৰাদ্ধ কৰ্ম্ম সমাধা কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। ১৩৪৩ সালত শুৱালকুচিত শ্ৰীশঙ্কৰদেৱৰ জন্মোৎসৱৰ আনুষঙ্গিক মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভাই এই মত গ্ৰহণ কৰে। ক্ৰমে এই মত অসমৰ অনেক ঠাইত প্ৰচাৰিত হয়। দশাহ-ব্যৱস্থা পালনকৰাসকলৰ ভিতৰতে এদলে ব্ৰাহ্মণ পুৰোহিত লগাই শ্ৰাদ্ধ-বিবাহাদি সমাপন কৰে, আন দলে বামুণীয়া কৰ্ম্ম একেবাৰে পৰিত্যাগ কৰিছে।

শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে ব্ৰাহ্মণ-বৰ্জ্জনৰ আন্দোলন সমৰ্থন কৰি ৪৯০-৯১ শঙ্কৰাব্দত হোৱা শুৱালকুচিৰ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভাৰ সভাপতিৰ অভিভাষণত কৈছিল,—"মই পৰমেশ্বৰক প্ৰাৰ্থনা কৰোঁ যেন সমগ্ৰ হিন্দু-সমাজে আমালোক ব্ৰাহ্মণ জাতিক পৰিত্যাগ কৰক"। "দশাহ-ব্যৱস্থা আৰু হৰিনাম মাহাত্ম্য" নামৰ কিতাপত হৰি-

নাম গোৱাই সকলো অন্ত্যেষ্টি কৰ্ম্ম সমাধা কৰিবলৈ ব্যৱস্থা দি তেখেতে কৈছে যে, "এই প্ৰকাৰে কাম কৰিলে ব্ৰাহ্মণ লগাই পিণ্ড দিয়াতকৈ উত্তম ফল পাব"। তেখেতৰ প্ৰবৰ্ত্তিত মতৰ বহুল প্ৰচাৰ কৰিবৰ অৰ্থে তেখেতে দলে-বলে গাঁৱে-ভুঞে অনেক সভা-সমিতি আদি পাতি লাগি গৈছে। তেখেতৰ তত্ত্বাৱধানত প্ৰকাশিত "গড়মূৰ সত্ৰৰ চমু বুৰঞ্জী"ত দশাহ-আন্দোলনৰ প্ৰতি নিৰপেক্ষ হৈ থকাসকলক ইতিকিং কৰাৰ সুৰত কোৱা হৈছে,—"বলে নোৱৰা শিলক পৰি নমস্কাৰৰ দৰে আওকাণত পৰিছে গৈ যেন লাগিছে"। আন এখন কিতাপত "মাহেকীয়া অশৌচ খটা খেছ শূদ্ৰৰ মহন্ত" বুলি মাহেকীয়া দলৰ মহন্তসকলক হেয় প্ৰতিপন্ন কৰা হৈছে। ব্ৰহ্ম-সংহতিৰ চাৰিসত্ৰীয়া গোসাঁই এগৰাকীয়ে এই আন্দোলনৰ নেতৃত্ব কৰা দেখি অসমীয়া হিন্দু-সমাজত ভীষণ চাঞ্চল্যৰ সৃষ্টি হৈছে আৰু অনেকেই দোধোৰমোৰত পৰিছে।

চাৰিসত্ৰীয়া গোসাঁইসকলৰ ভিতৰত বেছি প্ৰতিপত্তিশীল আৰু মাননীয় শ্ৰীশ্ৰীযুক্ত আউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে এই আন্দোলন সম্পৰ্কে দিয়া অভিমতটি সময়োপযোগী হ'ব বুলি ভাবি প্ৰকাশ কৰা হ'ল। এই বিষয়ে কোনোৱে কিবা ক'ৱলগীয়া থাকিলে আমাক জানিবলৈ দিলে যথাবিহিত কৰা হ'ব। ইতি—

যোৰহাট,
৩১ ব'হাগ, ১৮৭১ শক

প্ৰকাশক
শ্ৰীমোহনচন্দ্ৰ মহন্ত (বি-এল্)।

যোৰহাট অন্নদা প্ৰিন্টিং হাউচত
শ্ৰীগৌৰীচৰণ বৰকটকীৰ দ্বাৰা ছাপা কৰা হল।
১৮৭১ শঁক